# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

কৰ্ম মোৰ সংস্কৃতি

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☎: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ :
*Ref :*

তাৰিখ : ২১।০২।১৯
*Date :*

## অসম জাতীয় বিদ্যালয় প্ৰাংগণত স্মৃতিগ্ৰন্থ, গ্ৰন্থ আৰু তথ্যচিত্ৰ উন্মোচনী অনুষ্ঠানৰ আয়োজন

**গুৱাহাটী, ২১ ফেব্ৰুৱাৰি :** অসম জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি অহা ২৪ ফেব্ৰুৱাৰি, দেওবাৰে বিয়লি ৫ বজাৰপৰা অসম জাতীয় বিদ্যালয় প্ৰাংগণত এক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উক্ত অনুষ্ঠানত ৰূপালী জয়ন্তীৰ 'স্মৃতিগ্ৰন্থ', 'অকণিৰ আকাশ' আৰু 'বাখৰৰ গল্প' শীৰ্ষক আন দুখন গ্ৰন্থ আৰু এখন তথ্যচিত্ৰ উন্মোচন কৰা হ'ব। অসম জাতীয় বিদ্যালয়ৰ ২৫ বছৰীয়া পৰিক্ৰমাৰ ওপৰত নিৰ্মিত আৰু পৰিচালক মুকুল হালৈৰ দ্বাৰা পৰিচালিত তথ্যচিত্ৰখন উন্মোচন কৰিব বিশিষ্ট চলচ্চিত্ৰ পৰিচালক জাহ্নু বৰুৱাই। উক্ত অনুষ্ঠানত বিশিষ্ট সাংবাদিক, শিক্ষাবিদ ধীৰেন্দ্ৰ নাথ বেজবৰুৱা, জ্যেষ্ঠ সাংবাদিক, প্ৰাগ্ নিউজৰ মুখ্য সম্পাদক অজিত কুমাৰ ভূঞা আৰু জ্যেষ্ঠ অধিবক্তা, বিশিষ্ট নিবন্ধকাৰ অৰূপ বৰবৰা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। উল্লেখ্য যে এই অনুষ্ঠানতে বিশিষ্ট কণ্ঠশিল্পী সূৰ্য দাসে গীত পৰিবেশন কৰিব।

স্মৃতিগ্ৰন্থ, গ্ৰন্থ আৰু তথ্যচিত্ৰ উন্মোচনৰ পিছতেই প্ৰায় এঘণ্টা দৈৰ্ঘ্যৰ তথ্যচিত্ৰখন প্ৰদৰ্শন কৰা হ'ব।

উক্ত উন্মোচনী অনুষ্ঠানত উপস্থিত থাকিবলৈ অসম জাতীয় বিদ্যালয়ৰ সকলো শুভাকাংক্ষী, প্ৰাক্তন শিক্ষাৰ্থী আৰু তেওঁলোকৰ অভিভাৱকসকল, প্ৰাক্তন শিক্ষক আৰু কৰ্মচাৰীসকলক অসম জাতীয় বিদ্যালয় পৰিচালনা সমিতিয়ে অনুৰোধ জনাইছে।

(ডাঃ নাৰায়ণ শৰ্মা)
সচিব
অসম জাতীয় বিদ্যালয় পৰিচালনা সমিতি